بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## হুনাইনৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩ অক্টোবৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ ۔ الرَّحۡمٰنِ الرَّحِيۡمِ ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, হুনাইৰ যুদ্ধৰ পিছত লাভ হোৱা যুদ্ধলব্দৰ সম্পত্তি বিতৰণৰ উল্লেখ হৈ আছিল, এই সন্দৰ্ভত অধিক ঘটনাসমূহ এইদৰে বৰ্ণনা হৈছে,

আঁহজৰত (ছাঃ)য়ে সমগ্ৰ সম্পত্তি জাআৰানা ঠাইত একত্ৰিত কৰাৰ নিৰ্দেশ দি তেখেত (ছাঃ)য়ে তায়েফৰ ফালে যাত্ৰা কৰিছিল, আৰু প্ৰায় এমাহ পিছত তায়েফৰ পৰা জাআৰানাত গৈ উপস্থিত হৈছিল; তাতে যোৱাৰ পিছতেই যুদ্ধলব্দৰ সম্পত্তি সমূহ বিতৰণ কৰা নাছিল, বৰঞ্চ কিছু দিন তাতে অৱস্থান কৰি কৈছিল যে সম্ভৱত বনু হাৱাজনে অনুতপ্ত হৈ উভতি আহিব। এফালে নবী কৰিম (ছাঃ)য়ে তেওঁলোকৰ অপেক্ষা কৰি আছিল আনফালে বনু হাৱাজনে এই দ্বিধাবোধত আছিল যে তেওঁলোকে ৰছুলে কৰিম (ছাঃ)ৰ ওচৰলৈ যোৱাটো লাভ হ'ব নে নাই ? আঁহজৰত (ছাঃ)য়ে ১৩/১৪ দিন অপেক্ষা কৰাৰ পিছত যুদ্ধলব্দৰ সম্পত্তিসমূহ বিতৰণ কৰিছিল, তেতিয়া হাৱাজিনৰ ১৪ জন সন্মানীয় ব্যক্তি যিসকলে ইছলাম গ্ৰহণ কৰিছিল তেখেত (ছাঃ)ৰ সেৱাত উপস্থিত হৈ কৈছিল যে আমাৰ গোটেই গোষ্ঠীয়ে ইছলাম গ্ৰহণ কৰিছে। সেই লোকসকলে দয়াৰ আবেদন জনালে তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে মই বহু দিনলৈকে তোমালোকৰ অপেক্ষা কৰাৰ পাছত যুদ্ধলব্দৰ সম্পত্তিসমূহ বিতৰণ কৰিছোঁ। এতিয়া তোমালোকে চাই আছা যে অলপ কেইজন কয়েদী বাদে বাকী

সকলোবোৰ সম্পত্তি বিতৰণ কৰা হৈছে। গতিকে এতিয়া তোমালোকে সম্পত্তি বা উপাদানসমূহ বা বন্দী থকা পুৰুষ মহিলাৰ পৰা যিকোনো এটা নিৰ্বাচন কৰিব পাৰে। বনু হাৱাজনে কয়েদী পুৰুষ আৰু মহিলাসকলক উভতাই লোৱাৰ সিদ্ধান্ত লৈছিল, তাৰ পিছত আঁহজৰত (ছাঃ)য়ে বনু আব্দুল মুতালিবৰ ওচৰত থকা বন্দীসকলক তৎক্ষণাত উভতাই দিয়ে। বাকী কয়েদীসকলৰ বিষয়ে তেওঁলোকক পৰামৰ্শ দিছিল যে তেওঁলোকে মুছলমান সকলৰ সন্মুখত নিজৰ ইছলাম প্ৰকাশ কৰি ৰছুলে কৰিম (ছাঃ)ক নিজৰ বাবে মধ্যস্ততাকাৰী হিচাপে নিযুক্ত কৰক। অৰ্থাৎ এনেদৰেই কৰা হৈছিল; আৰু আঁহজৰত (ছাঃ)ৰ অতুলনীয় উদাৰতাৰ বাবে বনু হাৱাজনৰ সকলো কয়েদীক আনন্দ মনেৰে স্বাধীন কৰি দিয়া হৈছিল।

আঁহজৰত (ছাঃ)য়ে বনু হাৱাজনৰ কয়েদীসকলক কেৱল ক্ষতিপূৰণ নোপোৱাকৈ মুক্ত কৰাই নাছিল, বৰঞ্চ তেওঁলোকক কাপোৰ-কানিও দিছিল, আঁহজৰত (ছাঃ)য়ে এই কথাত জোৰ দিছিল যে মুক্তি পোৱা সকলে নতুন কাপোৰ নোহোৱাকৈ যেন কোনেও যাব নোৱাৰে। সেয়ে এই নিৰ্দেশ অনুসৰি প্ৰতিজন কয়েদীক নতুন পোছাক দিয়া হৈছিল। বৰ্ণনা অনুযায়ী তিনিজন সদস্য এনেকুৱা আছিল যে তেওঁলোকে কয়েদীক উভতাই দিবলৈ অস্বীকাৰ কৰিছিল। আন বৰ্ণনা অনুসৰি ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল যে বনু হাৱাজনৰ সকলোবোৰ কয়েদী স্বাধীন আৰু যিয়ে নিজৰ কয়েদীক মুক্ত কৰিব নিবিচাৰে তেওঁক ইয়াৰ প্ৰতিদান হিচাপে বায়তুল মালৰ পৰা ৬ টা উট দিয়া হ'ব। এই কথাত সকলোৱে মান্তি হৈ গৈছিল আৰু যিসকলে নিজৰ কয়েদীক স্বাধীন কৰিব বিচৰা নাছিল, পৰিশেষত তেওঁলোকে বনু হাৱাজনৰ ৬ হাজাৰ কয়েদীক স্বাধীন কৰি দিছিল।

কিছুমান বৰ্ণনা অনুসৰি উয়ায়না বিন হাছান ফুজাৰিয়ে অবাধ্যতা কৰিছিল যাৰ ফলত তেওঁ বৰ লজ্জিত হৈছিল আৰু আশীৰ্বাদ আৰু কল্যাণৰ পৰা বঞ্চিত হৈছিল। অৰ্থাৎ লিখিছে যে যেতিয়া আঁহজৰত (ছাঃ)ক কোৱা হৈছিল যে উয়ায়নাৰ বাহিৰে সকলোৱে নিজৰ কয়েদীক উভতাই দিছে, তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে আল্লাহ তেওঁক ক্ষতিৰ মাজত ৰাখক। তেওঁৰ কয়েদীৰ ঘটনা এনেকুৱা যে তেওঁ যুৱক মহিলাৰ পৰিৱৰ্তে এগৰাকী বৃদ্ধ মহিলাক কয়েদী বনাই লৈছিল যাতে তেওঁৰ পৰিয়ালবৰ্গৰ সংখ্যা অধিক হোৱাৰ বাবে মুক্তিপন লাভ কৰিব পাৰে। যেতিয়া সেই বৃদ্ধ মহিলা গৰাকীৰ ল'ৰাই উয়ায়নাৰ ওচৰলৈ আহি এশ উটৰ বিনিময়ত তাৰ মুক্তি বিচাৰিছিল। উয়ায়নাই আৰু অধিক লোভৰ বাবে তাইক স্বাধীন কৰিবলৈ অস্বীকাৰ কৰে। কিছু সময় পিছত যেতিয়া উয়ায়নাই সেই ল'ৰাৰ ওচৰলৈ গৈ ক'ব ধৰিলে যে যিমান উট তুমি দিবলৈ মান্তি হৈছিলা এতিয়া দিবানে? তেতিয়া সেই ল'ৰাজনে কৈছিল যে এতিয়া পঞ্চাছ টা উট দিম। এইদৰে তেওঁ আৰু অধিক দাবী কৰি থাকিল অৱশেষত ল'ৰাজনে কলে যে মই ইমানখিনিও নিদিও। অৱশেষত কথাটো এনে পৰ্যায়লৈ পালেগৈ যে উয়ায়নাই ক'ব ধৰিলে যে বৃদ্ধ মহিলা গৰাকীক বিনামূলীয়াকৈ লৈ যাওঁক। ইয়াৰ পিছত ল'ৰাজনে কয় যে ৰছুলে কৰিম (ছাঃ)য়ে প্ৰতিজন কয়েদীক স্বাধীন কৰাৰ লগতে কাপোৰো দিছিল এই বৃদ্ধ মহিলা গৰাকী ইয়াৰ পৰা বঞ্চিত থাকি গ'ল, সেয়ে তুমি তাইৰ বাবে কাপোৰ দিয়া। শেষত উয়ায়নাই নিজৰ চাদৰখন দিবলগীয়া হ'ল, এইদৰে সেই ল'ৰাজনে সেই কয়েদী মহিলা গৰাকীক লৈ যোৱাৰ লগতে কাপোৰো লৈ গ'ল।

আঁহজৰত (ছাঃ)য়ে বনু হাৱাজনক তেওঁলোকৰ চৰ্দাৰ মালিক বিন আউফৰ সন্দৰ্ভত সুধিলে তেতিয়া জানিব পৰা গ'ল যে তেওঁ তায়েফত বনু ছাকিফৰ ওচৰত আছে। তেখেত (ছাঃ)য়ে তেওঁলৈ সংবাদ মাধ্যমে জনায় যে যদি তেওঁ আঁহজৰত (ছাঃ)ৰ আনুগত্য স্বীকাৰ কৰি উভতি আহে তেন্তে তেওঁৰ পৰিয়ালবৰ্গক উভতাই পঠিওৱা হ'ব। মালিক বিন আউফ যেতিয়া তেখেত (ছাঃ)ৰ সন্মুখত উপস্থিত হয় তেতিয়া তেখেত (ছাঃ)য়ে তেওঁৰ পৰিয়ালবৰ্গক উভতাই দিয়ে, লগতে এশ উট উপহাৰ হিচাপে প্ৰদান কৰে। মালিকে তেখেত (ছাঃ)ৰ এই অনুগ্ৰহ চাই মুছলমান হৈ গৈছিল।

বনু হাৱাজনৰ কয়েদীৰ মাজত এজনী মহিলা শ্বিমাও আছিল যাৰ আচল নাম আছিল হুজাফা। যেতিয়া তাই গ্ৰেপ্তাৰ হৈছিল তেতিয়া তাই কৈছিল যে মই তোমাৰ নবীৰ পোষক ভগ্নী, ইয়াৰ পিছত আঁহজৰত (ছাঃ)ৰ ওচৰত তাইক উপস্থিত কৰা হয়, তাই আঁহজৰত (ছাঃ)ক নিজৰ পোষক আত্মীয়ৰ চিন হিচাপে দাঁতৰ চিন দেখুৱাই কয় যে এইটো আপুনি সেই সময়ত দাঁতেৰে কামুৰিছিল যেতিয়া আপুনি মোৰ কোলাত আছিল। পুনৰায় কয় মই সেই সময়ত ছাগলী চ'ৰাই আছিলো। তোমাৰ পোষক পিতৃ-মাতৃ মোৰ প্ৰকৃত পিতৃ-মাতৃ। আঁহজৰত (ছাঃ)য়ে এই কথা শুনা পাই নিজৰ ঠাইৰ পৰা থিয় হৈ নিজৰ পোষক পিতৃ-মাতৃৰ কথা সুধিলে; তাই কলে যে তেওঁলোক মৃত্যুবৰণ কৰিছে। তেতিয়া তেখেত (ছাঃ)য়ে তাইক অৱস্থান কৰাৰ বা উভতি যোৱাৰ সিদ্ধান্ত তাইৰ ওপৰত এৰিলে। তাই ইছলাম গ্ৰহণ কৰি উভতি যোৱাৰ সিদ্ধান্ত লয়। তেখেত (ছাঃ)য়ে তাইক তিনজন দাস আৰু এজনী দাসী প্ৰদান কৰে, লগতে উটো দিছিল। আবু দাউদৰ এটা দুৰ্বল বৰ্ণনা অনুসৰি জাআৰানা নামৰ ঠাইত আঁহজৰত (ছাঃ)ৰ পোষক মাতৃও তেখেত (ছাঃ)ৰ সৈতে সাক্ষাৎ কৰাৰ বাবে উপস্থিত হৈছিল, কিন্তু এই যুক্তি দুৰ্বল। হুজুৰ আনোৱাৰ (আইঃ) কৈছে যে সম্ভৱত পোষক মাতৃৰ সাক্ষাতৰ ঘটনা হয়তো আন কোনো সময়ত হৈছিল বা বৰ্ণনাকাৰীয়ে ভুল কৰিছে, কিয়নো বৰ্ণনা অনুসৰি আঁহজৰত (ছাঃ)ৰ পোষক মাতৃৰ মৃত্যু হুনাইনৰ যুদ্ধৰ আগতেই হৈছিল।

আঁহজৰত (ছাঃ)য়ে যেতিয়া মক্কাৰ পৰা মদিনালৈ প্ৰব্ৰজন কৰিছিল তেতিয়া এশ উটৰ লোভত ছুৰাকা বিন মালিকে তেখেত (ছাঃ)ৰ পিছানুসৰণ কৰিছিল, তেখেত (ছাঃ)য়ে তেওঁক ৰক্ষাৰ পত্ৰ লিখি দিছিল, সেই ছুৰাকাই জাআৰানা ঠাইত নিজৰ সেই লিখনী লৈ উপস্থিত হৈ ইছলাম গ্ৰহণ কৰিছিল।

সেই অৱস্থান কালত তেখেত (ছাঃ)য়ে উমৰাৰ উদ্দেশ্যে মক্কাত গৈ উপস্থিত হৈ নিশাতেই উভতি আহিছিল। লোকসকলে এইটো ভাৱিছিল যে তেখেত (ছাঃ)য়ে ক'তো যোৱাই নাই। জুলকাদাৰ ১২ দিন বাকী আছিল যে আঁহজৰত (ছাঃ)য়ে মদিনালৈ উভতি যোৱাৰ যাত্ৰা আৰম্ভ কৰিছিল আৰু ন দিন পিছত মদিনাত উপস্থিত হৈছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে প্ৰাচ্যবিদসকলৰ কিছুমান দুৰ্বল আপত্তি আৰু তেওঁলোকৰ চমু উত্তৰ দাঙি ধৰি কৈছে যে এই সকলোবোৰ আগতে বৰ্ণনা কৰা হৈছে।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন প্ৰয়াতৰ সদগতিৰ কথা উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। মাননীয় ডাক্টৰ লায়েক আহমদ ফাৰৰা চাহাব কানাডা, প্ৰয়াতজন বহু বছৰ ওৱাকফে জিন্দেগী ডাক্তৰ হিচাপে আফ্ৰিকাত সেৱা আগবঢ়াইছিল। বিসৰ্জনৰ মৰ্ম বুজি তেওঁ সেৱা আগবঢ়াইছিল। প্ৰয়াতজন নিস্তব্ধ স্বভাৱৰ, দোৱাত মগ্ন, বিনম্ৰতা অৱলম্বনকাৰী, ধৈৰ্য ধাৰণকাৰী আছিল। গোটেই জীৱন মানুহৰ সেৱাত অতিবাহিত কৰিছে। প্ৰতিকূল পৰিস্থিতিতো দৃঢ়তাৰে কাম

কৰিছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মইও ঘানাত আছিলো, মইও তেওঁৰ সৈতে সময় পাৰ কৰিছোঁ; বৰ ভদ্ৰ স্বভাৱৰ, বিনম্ৰ আৰু মানৰ সেৱক আছিল। জীৱন আহুতি দিয়াসকলক তেওঁ বৰ সন্মান কৰিছিল। আতিথ্যপৰায়ণ আছিল। দুয়োজন অৰ্থাৎ স্বামী স্ত্ৰী আতিথ্যপৰায়ণ আছিল। তেওঁলোকৰ মাজত এনেকুৱা বৈশিষ্ট্য আছিল যিবোৰ আনসকলৰ মাজত অতি কমেই পোৱা যায়।

আনজন মাননীয় হামিদ আহমদ গৌৰি চাহাব হায়দৰাবাদ ভাৰতৰ আছিল তেওঁৰ সদগতিৰ কথা উল্লেখ কৰিছে। প্ৰয়াতজন অচিয়তকাৰী আছিল। এৰি যোৱাৰ মাজত নিজৰ পত্নী, এজনী কন্যা, চাৰিজন পুত্ৰ আৰু নাতি-নাতিনী আছে। সকলোৱে জামাতৰ কিবা নহয় কিবা সেৱা কৰাৰ সৌভাগ্য লাভ কৰি আছে। প্ৰয়াতজন মাননীয় ইনাম গৌৰি চাহাব নাজিৰে আলা কাদিয়ানৰ সৰু ভাই আছিল। ছামাদ গৌৰি চাহাব মুবাল্লিগ ছিলছিলা আৰু আলবানিয়া জামাতৰ সভাপতিৰ পিতৃ আছিল। নামাজ ৰোজা পালনকাৰী, তাহাজ্জুদৰ নামাজী আছিল। কোৰআন মজিদৰ অনুৰাগী আছিল। প্ৰয়াতজনে হজ্ব আৰু উমৰা কৰাৰো সৌভাগ্য লাভ কৰিছিল। খলিফাৰ আনুগত্যকাৰী, পুণ্য আৰু নিষ্ঠাবান বয়োজ্যেষ্ঠ আছিল। আৰ্থিক কোৰবাণীৰ ক্ষেত্ৰতো অগ্ৰগণ্য আছিল। হোমিঅ ঔষধ আৰ্তজনক বিনামূলীয়াকৈ বিতৰণ কৰিছিল। কেন্দ্ৰীয় প্ৰতিনিধি আৰু মুবাল্লিগ সকলক বৰ সন্মান কৰিছিল।

তেওঁ হজ্ব আৰু উমৰা কৰাৰ সৌভাগ্য লাভ কৰিছিল। খলিফাৰ আজ্ঞা পালনকাৰী আছিল, সৰুৰ পৰা সৰু বা ডাঙৰ যিকোনো আজ্ঞা প্ৰথমে নিজে পালন কৰিছে তাৰ পিছত জামাতক সেই আজ্ঞা পালন কৰিবলৈ কৈছিল, আল্লাহ তা'লাৰ কৃপাত তেওঁ এনে কামত সফল হৈছিল। হোমিঅ চিকিৎসা কৰিছিল, নিজৰ ঘৰতে ঔষধ সংগ্ৰহ কৰি ৰোগীক বিনামূলীয়াকৈ দিছিল। আৰ্থিক কোৰবাণীৰ ক্ষেত্ৰত আগবঢ়া আছিল। বৰ দয়ালু, বাৰে বাৰে নিজৰ আত্মীসকলৰ ঘৰত গৈ তেওঁলোকৰ সুখ দুখত ভাগ লৈছিল।

নায়েব আমিৰ হায়দৰাবাদ আৰু তালিমুল কোৰআনৰ সম্পাদক, জামাতৰ সভাপতি, নাজিম আনছাৰুল্লাহ আৰু নায়েব ছদৰ মজলিছ আনছাৰুল্লাহ দক্ষিণ ভাৰত হিচাপে সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰিছিল। তেওঁ যথেষ্ট জামাতৰ সেৱা আগবঢ়াইছে, ইয়াতো এবাৰ জলছাত অংশগ্ৰহণ কৰিছিল। আল্লাহ তা'লা তেওঁৰ সৈতে ক্ষমা আৰু দয়াৰ আচৰণ কৰক। তেওঁৰ ল'ৰা নামাজে জানাজাত অংশগ্ৰহণ কৰিব পৰা নাছিল, তেওঁ আলবানিয়াত মুবাল্লিগ হিচাপে সেৱা আগবঢ়াই আছে। আল্লাহ তেওঁক ধৈৰ্য ধাৰণৰ শক্তি দান কৰক। তেওঁৰ নামাজে জানাজা পিছত পঢ়াম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে দুয়ো প্ৰয়াতৰ মাগফিৰাত আৰু উচ্চ মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

**NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB**